

## গুৱাহাটী বিশ্ববিদ্যালয়

# গ্ৰন্থাগাৰিকৰ দায়িত্ব গ্ৰহণ ড° প্ৰশান্ত ডেকাৰ

ষ্টাফ ৰিপৰ্টাৰ, ১ জুন ঃ উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ গ্ৰন্থাগাৰ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ হৃৎপিণ্ডস্বৰূপ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক হিচাপে ড° প্ৰশান্ত ডেকাই আজি দায়িত্ব গ্ৰহণ কৰে। গুৱাহাটী কে চি দাস কমাৰ্চ কলেজৰ গ্ৰন্থাগাৰিক ১০ পৃষ্ঠাত

# গ্ৰন্থাগাৰিকৰ দায়িত্ব গ্ৰহণ ড° প্ৰশান্ত

তথা অসম মহাবিদ্যালয় গ্ৰন্থাগাৰিক সংস্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, অসম পুথিভঁৰাল সংস্থাৰ বৰ্তমানৰ সভাপতি ড° প্ৰশান্ত ডেকা নলবাৰী বিদ্যাপুৰ নিবাসী প্ৰয়াত হৰেন্দ্ৰ নাথ ডেকা আৰু নীলিমা ডেকাৰ প্ৰথম পুত্ৰ। অসম তথা ভাৰতবৰ্ষৰ গ্ৰন্থাগাৰ সেৱাৰ বিভিন্ন কাৰ্যক্ৰমণিকাৰ লগত সক্ৰিয়ভাৱে জড়িত ড° ডেকাই বৰ্তমানৰ তথ্য আৰু গ্ৰন্থাগাৰিক বিষয়ৰ এজন অভিজ্ঞতাপুষ্ট ব্যক্তি। অসম তথা ভাৰতবৰ্ষৰ গ্ৰন্থাগাৰ সেৱাৰ বিভিন্ন কাৰ্যক্ৰমণিকাৰ লগত সক্ৰিয়ভাৱে জড়িত ড° ডেকাই বৰ্তমানৰ তথ্য আৰু গ্ৰন্থাগাৰিক বিষয়ৰ এজন অভিজ্ঞতাপুষ্ট ব্যক্তি। ড° ডেকাৰ সুদক্ষ পৰিচালনাত ইতিহাসপ্ৰসিদ্ধ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰক এক নতুন মাত্ৰা দিব বুলি গুৱাহাটী বিশ্ববিদ্যালয় তথা অসমৰ উচ্চশিক্ষাৰ জগতখনে আশা প্ৰকাশ কৰে। উপ-গ্ৰন্থগাৰিক ৰূপে আজি কাৰ্যভাৰ গ্ৰহণ কৰে ড° গৌৰী শংকৰ কৰ্মকাৰে। উল্লেখ্য যে কৰ্মকাৰ পাণ্ডু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক আছিল।